লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# একেখন ঘৰতে

✍ শংকৰ দত্ত

এটা ক'লা।

এটা বগা।

পক্ষ-প্ৰতিপক্ষ। হ'লেও একেখন মজিয়াত সুবিন্যস্ত হৈ থাকে। সুসজ্জিত হৈ থাকে। এটা ক'লা এৰি এটা বগা, এটা বগা এৰি এটা ক'লা। আৰু মাজত ৰঙাটো। প্ৰাণকেন্দ্ৰ। মূল আধাৰ। তাক কেন্দ্ৰ কৰিয়েই বৰ্তি থাকে সকলো ক'লা বগা। তেওঁ যেন পিতৃব্য পুৰুষ। নিৰপেক্ষ। অথচ প্ৰয়োজনত দুয়োৰে পক্ষৰ।

বৰণৰ পাৰ্থক্য থাকিলেও একোখন মজিয়াত সুবিন্যস্ত হৈ থকা বাবেই আপাতত: বিৰাজ কৰে অনিৰ্বচনীয় নান্দনিকতা।

খাটাচ। এটা মাত্ৰ শব্দ। ষ্ট্ৰাইকাৰ সজোৰ গতি। বগাৰ পেটত আঘাত। আৰু ছিটিকি পৰে সকলো। বিশৃংখল হৈ পৰে ক'লা-বগা। ধ্বংস হয় নান্দনিকতা। গাঁতত হেৰাই যায় কোনোবাটো। য'ৰ পৰা উভতি অহাৰ কোনো পথ নাই।

এটা আঘাতত ছিটিকি যায় সকলো।

ছিটিকি যায় তেজৰ চেঁকুৰা। ছিন্ন ভিন্ন হৈ পৰে সকলো।

উহ: কি ভয়ংকৰ! জুৰুলি জুপুৰি হৈ পৰে ক্লান্তিত সি। কেৰমৰ ষ্ট্ৰাইকাৰৰ পৰা হাত এৰি দিয়ে সি।

গুলীটো নিচেই ওচৰতে ফুটিছিল। একে ধৰণেই শব্দ এটা হৈছিল- খট্‌ । বচ্-সি দেখিছিল-তাৰ শৈশৱৰ সহচৰ কৃষ্ণৰ নাভিৰ ওপৰৰ পৰা উফৰি অহা তেজৰ ছিটিকনি । সকলো প্ৰতিবাদকাৰীয়ে তৰা-নৰা-ছিঙি পলোৱাৰ সময়ত, প্ৰতিবাদতকৈ জীৱন বেছি মূল্যবান বুলি ভবা পলৰীয়া আন্দোলনকাৰী সকলৰ মাজত কৃষ্ণক অকলে এৰি থৈ যাবলৈ তাৰ কোনো সত যোৱা নাছিল। কিন্তু কোনে জানো তাক হাতত ধৰি টানি নিছিল। পলা:-

এটা ভয়ংকৰ দু:স্বপ্ন হৈ সেই দৃশ্য বোৰে বাস্তৱৰ মাজে মাজে তাক আমনি কৰে।

কৃষ্ণ ক'লা আছিল নে বগা আছিল ! গুলীটো ষ্ট্ৰাইকাৰ বেগতকৈ জোৰেৰে আহিছিল নে! গুলীটোৰ আঘাতে কৃষ্ণক স্তব্ধ কৰি তোলাৰ পূৰ্বলৈকে আন্দোলনকাৰীসকল কেৰমৰ গুটিৰ দৰে থূপ খাই আছিল নে? এয়া কি কেৰমৰে খেল আছিল? কোনে খেলিছে এই

খেল! কোনে নিয়ন্ত্ৰণ কৰিছে ষ্ট্ৰাইকাৰৰ গতি! পক্ষ কোন, প্ৰতিপক্ষ কোন?

হঠাতে মন যায়- একেটানে সমগ্ৰ খেলাখন ওফৰাই দিবলৈ! কিন্তু ক'ৰবাত কিহবাই যেন তাক বান্ধি ৰাখে।

'একেখন ঘৰতে আছিলো দুঘৰ মানুহ।
উৰুখা ছালেৰে কাটে কাল, কাটে ৰাতি, কাটে পানী...'

যেন ক'ৰবাৰ পৰা বি-বিয়াই আহে কবি নীলমণিৰ কবিতাৰ শাৰী। মনৰ ভিতৰতে বাজে। কাণ ঢুকি পোৱাৰ আগেয়ে মগজুত শব্দবোৰে খুন্দা মাৰে। ক্ৰমশ: চেতনাবোৰে দ্বিখণ্ডিত হয়। খণ্ডিত চেতনাবোৰে পৰস্পৰ কথা পাতে। কোনোবাটো চেতনাই আবেগক সমৰ্থন কৰে। কোনোবাটোৱে যুক্তিক। চেতনাৰ মাজত প্ৰচণ্ড সংঘাত হয়। সংঘাতবোৰ কোলাহল হয়। মগজুৰ ভিতৰত যুঁজবাগৰ চলি থাকে। এই সকলোবোৰক চেৰ পেলাই সি কবিতাটোৰ শাৰীকেইটা মন দি শুনিব খোজে- একেখন ঘৰতে আছিলো দুঘৰ মানুহ...।

এৰা তাৰ একেখন ঘৰতো আছিল দুঘৰ মানুহ। আৱৰণ এটাই। ভিতৰত ঘৰ দুখন। যেতিয়া ঘৰখনত ককাকৰ মাত গমগমীয়া হৈ আছিল, তেতিয়া ঘৰ মূলত: এখনেই আছিল। তেতিয়া সি জন্ম হোৱা নাছিল। অধিকন্ত তাৰ মাতৃৰ আগমন হোৱা নাছিল ঘৰখনলৈ। চফল ডেকা পিতৃ আৰু পিতৃ-ভাতৃ মাধৱ চৌধুৰী। মৌজাদাৰ কেশৱ চৌধুৰীৰ ঘৰ সেইখন। কোনোবাই আঙুলি টোঁৱালে আঙুলি কাট খাব। কটু বাক্য ক'লে জিভা কাট খাব। প্ৰতাপী মৌজাদাৰ কেশৱ চৌধুৰীৰ ঘৰ সেইখন। বিশাল বাৰাণ্ডাৰে সৈতে প্ৰাচীন আৰ্হিৰ বিশাল ঘৰ। আঁহ ফালি দেখুৱাবৰ সাধ্য কাৰ!

এদিন কেশৱ চৌধুৰীৰ বিশাল বাৰাণ্ডাৰ সন্মুখত বিশাল ৰভাথলী তৈয়াৰ হ'ল। তাৰ পিছত আৰু এখন। দুগৰাকী বোৱাৰী আহি ঘৰ তুলি ধৰিলে। পো-বোৱাৰী-নাতিৰে ভৰা সুখৰ সংসাৰ চাই এদিন কেশৱ চৌধুৰীয়েও সন্তোষেৰে সিপাৰলৈ বুলি বিদায় ল'লে। পিতৃৰ বিয়োগৰ পিছত মৌজাদাৰৰ বাবক লৈ দুই পুত্ৰৰ সংঘাত হ'ল। বাহিৰত সংঘাতে প্ৰকাশ্য ৰূপ নাপালেও ঘৰ দুখন পৃথক হ'ল। দুয়োটা পৰিয়ালে পৃথক চৰু বহোৱাৰ সিদ্ধান্ত ল'লে। বাহিৰৰ পৰা দেখাত ঘৰ এখনেই। ভিতৰত দুঘৰ। যেন মটৰৰ একেটা ছিৰাৰ মাজত দুটা মাহ।

এয়া ইতিহাস।

ইতিহাসৰ পুনৰাবৃত্তি হয়। ইতিহাসে মানুহক বাট দেখুৱায়। একেবোৰ ভুল নকৰিবৰ বাবে সকীয়নি দিয়ে।

কিন্তু ইতিহাসৰ শিক্ষা গ্ৰহণ কৰে কিমান?

সৰলা বৌয়ে বাচন ধুই আছিল। পুৱাৰে পৰা সৰলা বৌৰ আজৰি নাই। বিশাল ঘৰখনৰ বিশাল বাহীচোতাল সৰা, ঘৰখনৰ

সকলোকে চাহ জলপান খুউৱাৰ পিছত ককালে যেতিয়া সংকতে দিছিল-কামৰ আতিশয্যই সীমা চেৰাই যোৱাৰ কথা। তাৰ পিছতো সকলোলৈকে ভাত-পানী যতনোৱাৰ পাল সৰলা বৌৰে আছিল। নিমাখিত স্বভাৱৰ মানুহজনীয়ে নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ পিছত পৰ্বতসম চুৰা বাচনৰ দ'মটো ধুবলৈ বুলি উলিয়াই নিওঁতেও খং জমা হোৱা নাছিল।

সৰলা বৌৰ এই কষ্টকৰ কামৰ খতিয়ান বিপৰীতে বিচনাত বহি অলস টোপনিৰ মাজত সময় অতিবাহিত কৰিছিল প্ৰাপ্তি বৌৱে। আচহুৱা কথা একো নাছিল। কিয়নো মূৰ ধুব নোৱৰা দিনকেইটাত ঘৰুৱা কামবোৰত হাত দিয়াটো তাৰ মাকেই পছন্দ নকৰিছিল।

বাচনৰ দ'মটো ভিতৰত থৈয়েই বিচনাত এবাগৰ দিব বুলি মনে মনে পাঙি থৈছিল সৰলাই।

বাচনৰ দ'মটো ভিতৰত থবলৈ আহোতেই মাকে মাত দিলে-প্ৰাপ্তিৰ ঘৰৰ পৰা ফোন আহিছিল-সিহঁতৰ ঘৰৰ পৰা আলহী আহিব হেনো।

ভিতৰৰ পৰা সুৰতকৈ যেন খঙৰ ভমক এটা ওলাই আহিল। শাহুৱেকৰ মুখলৈ নোচোৱাকৈ সৰলাৰ মুখেদি চাৎকৈ ওলাই গ'ল-কোনোবাই মখমলৰ বিচনাত লেটি লৈ থাকোতেই যাব, আমিহে ইতৰ, বোকা পানীত ঘুলি জনমটো পাত কৰি থাক।

শেলে বিন্ধা দি বিন্ধিলগৈ প্ৰাপ্তিৰ কাণত কথাষাৰ। হয়, তাইকেই কৈছে। তাইৰ ঘৰৰ মানুহ অহাৰ উলাহ একেষাৰ কথাতে নষ্ট হ'ল। এঘণ্টামান মগজুৰে সৈতে যুঁজ-বাগৰ চলিল। দুই বোৱাৰীৰ কন্দলৰ পুৰণি কথাবোৰ ভৰ কৰিলেহি। চকুপানীৰে মুখ ভৰি পৰিল। ক্ৰোধত বুকুখনত ডাৱৰ গোট খোৱাদি গোট খালেহি শিল যেন গধুৰ হোৱা অনুভৱবোৰ। ঘৰলৈ ফোনেৰে কিবা এটা আচিলা দেখুৱাই মানুহ অহা বন্ধ কৰিলে।

এইবোৰ 'কাহানী ঘৰ ঘৰ কী'। এইবোৰত তাৰ কোনো আগ্ৰহ নাই। ঘৰুৱা সমস্যা, অন্তৰ্কন্দলত মূৰ গুজিবৰ সি কাহানিও যত্ন কৰা নাই। সি তাৰ সংগঠনক লৈ ব্যস্ত। ঘৰখনত থকিও ঘৰখনৰ পৰা সি পৃথক। সি এখন বৃহৎ ঘৰৰ সপোন দেখে। ঘৰ নহয় ঘেৰ। সেই ঘেৰ সুৰক্ষাৰ, নিৰাপত্তাৰ। সেই ঘেৰৰ মাজত সোমাই থাকিব হাজাৰ হাজাৰ সৰু মানুহৰ ঘেৰ। সেই ঘেৰ কেনেকৈ নিৰ্মাণ হ'ব সি চিন্তা কৰি পাৰ নেপায়। গণতন্ত্ৰত তাৰ আস্থা আছে। কিন্তু গণতন্ত্ৰয়ো যেন সেই নিখুঁত ঘেৰটো সাজি উলিয়াব নোৱাৰে। প্ৰকৃতিৰ প্ৰতিটো জীৱই ঘৰ সজাৰ দৃশ্য সি সূক্ষ্ম পৰ্যবেক্ষণ কৰে। টুনী চৰায়ে এডাল এদাল কুটা কঢ়িয়াই সজা বাহটো, কুমাৰণীয়ে অকন অকন মাটি মুখৰ এঠাৰে লগাই নিৰ্মাণ কৰা ঘৰটো, বিন্দু বিন্দু মাটিৰ গুড়ি কুটি কুটি পৰুৱাই খন্দা গাঁতৰ দৃশ্য চাই সি প্ৰত্যেকতে

বিচাৰি পাই এটাই অৰ্থ। সুৰক্ষিত আৱৰণ এটা বনাবলৈ কেৱল প্ৰাকৃতিক উপাদানবোৰেই যথেষ্ট নহয়, তাত লাগিব নিষ্ঠা, নীতিনিষ্ঠতা, শৃংখলাবদ্ধতা।

সেই নিষ্ঠাৰে সি সাজিব খোজে তাৰ জাতিৰ ঘৰটো। ঘৰ তেতিয়ালৈকে এখন ঘৰ হৈ থাকে যেতিয়ালৈকে ঘৰখনৰ প্ৰতি সকোলো আবাসীৰ আনুগত্য থাকে।

আনুগত্যবোধ হেৰাই গৈছিল নেকি বৰদাৰ !

ন'হলে সি কিয় মাধৱ চৌধুৰীৰ দৰে কৈছিল- মাটি-বাৰীবোৰ ভগাবৰ হ'ল।

মাক সৰগ পৰা মানুহৰ দৰে থৰ। মুখত মাত নাই।

খুৰাকেও এদিন এনেদৰে দুভাগ হৈ গৈছিল।

"এইখন কেশৱ চৌধুৰী মৌজাদাৰৰ ঘৰ বুলি চবেই চিনি পায়। চবেই সমীহ কৰি চলে। ককাৰে বিচাৰিছিল- ঘৰখন সদায় এক হৈ থাকক। কেশৱ চৌধুৰীৰ ঘৰ পুৰুষলৈ খিয়াতি ৰওক।"- সম্বিত ঘুৰাই পাই মাকে কৈছিল – "তহঁতে ঘৰখন টুকুৰা টুকুৰ কৰিব কিয় খুজিছ !"

বৰদাৰ আবেগ যুক্তি অখণ্ডনীয়। আজিৰ বোৱাৰীয়ে যৌথ পৰিয়ালত থকাৰ ধৈৰ্য হেৰুৱাই পেলাইছে। পলমকৈ ঘৰত সুমাই ভাতৰ পাতত বহিবলৈ লৈছিল সি।

কোঠাৰ সিমূৰে বৰদাৰ কথাবোৰ এপাত শেল হৈ উফৰি আহিছিল।

মাছৰ কাঁইটডাল কাঁহীৰ এমূৰে থৈ পিছৰ ভাতমুঠি ৰৈ গ'ল।

মাছৰ কাঁইটতকৈ কঠিন নেকি বৰদাৰ কথাবোৰ !

এয়াও কি সনাতন নিয়ম- স্বয়ংসম্পূৰ্ণ পৰিয়াল নিৰ্মাণ হ'লেই বিচ্ছিন্ন হ'ব লাগে। বিচ্ছিন্ন হোৱাৰ লগে-লগে পূৰ্বৰ আবেগ উমলা দিনবোৰৰ স্মৃতিও বিচ্ছিন্ন হৈ পৰিবনে !

বৰদাক বেলেগকৈ মাটিৰ ভাগ লাগে। ককাকৰ যিমান মাটি আছিল দেউতাকৰ দিনত দুভাগ হ'ল। এতিয়া সেই দুভাগৰ এভাগ মাটি পুনৰ তিনিভাগ হ'ব। এখন ফলকত যেন সি ঘৰ ঘৰ কৈ আঁচ পাৰিছে। পৰিয়াল বঢ়াৰ লগে লগে ক্ষুদ্ৰ ক্ষুদ্ৰ বৰ্গবোৰ বৃদ্ধি পাইছে। বৰ্গৰ সংখ্যা ক্ৰমশ: বৃদ্ধি পাইছে। কিন্তু ফলক খনৰ পৰিমাপ একেই আছে।

সি চকু দুটা মুদি দিলে। মনৰ মাজত ফলকৰ ক্ষুদ্ৰ ক্ষুদ্ৰ বৰ্গবোৰ বিম্বিত হ'বলৈ ল'লে। ক্ৰমশ: বিচ্ছিন্ন হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ বৰ্গবোৰ উঠি আহিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ বৰ্গবোৰ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত বিভক্ত হৈছে। সি সকু মুদি অনুভৱ কৰিলে এসময়ত নিশ্চিহ্ন হৈ পৰা ক্ষুদ্ৰ বৰ্গবোৰৰ অস্তিত্বহীনতাৰ কথা।

এইখনেই তাৰ ঘৰনে ? এইখন ঘৰৰ প্ৰতিয়েই সি আনুগত্যবোধ জীয়াই ৰাখিছেনে !

সি সাজিব খোজা বৃহৎ ঘেৰটোত এইখন ঘৰো থাকিবনে ! নে সেই পৰিমণ্ডলৰ ভিতৰত সি নিজাকৈ আন এক সৰু ঘেৰ বনাই ল'ব। সংকীৰ্ণ আৰু কিছুমান সৰু সৰু ক্ষুদ্ৰ বৰ্গ নিৰ্মাণ কৰিব। সেই ক্ষুদ্ৰবোৰ আৰু সৰু সৰু ক্ষুদ্ৰভাগত বিভক্ত হ'ব। অব্যাহত থাকিব এইদৰে সমস্ত প্ৰক্ৰিয়া। চিৰদিন।

ঘৰৰ পৰা ওলাই অহাৰ পাছত খোজবোৰ শিথিল হৈ আহিছিল তাৰ।

কেতিয়াও উভতি নোযোৱাৰ খোজ যেন সেয়া।

মনৰ মাজত দুৰ্বাদল কাজিয়া। যুক্তি বনাম আবেগৰ। আৰু সকোলোকে চেৰ পেলাই ৰিণি ৰিণি কবিতাৰ সুৰ-একেখন ঘৰতে আছিলো দুঘৰ মানুহ।

চেতনাই পৰস্পৰ দ্বন্দ্ব কৰি থাকোঁতে উপেক্ষিত হৈছিল বাস্তৱ। প্ৰকাণ্ড লোৰ গেটখনে বাধা দিলে তাক। জগাই তুলুলে চৈতন্য।

লোৰ গেটখনৰ সিপাৰে ডাঙৰ এখন ফলক। তাৰ সংগঠনৰ নাম থকা ফলক। কাৰ্যালয়টোৰ দুৱাৰত সতীৰ্থৰ ভিৰ। বহুতো সদস্যই একগোট হৈ কিবা এক প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বৰ বাবে সাজু হৈছিল।

কাৰ্যালয়ৰ সন্মুখৰ এক প্ৰকাণ্ড স্মৃতিসৌধ। সেই স্মৃতিসৌধত তাৰ শৈশৱৰ সহচৰ কৃষ্ণৰ ফ'টো।

তাক দেখাৰ লগে লগে সভাপতিয়ে উৎসাহেৰে আগবাঢ়ি আহিল- আৰে ভাই ! ইমান দাঙৰ প্ৰগাম লৈছো, ক'ত আছিলি তই ?

অযুত প্ৰশ্ন মূৰলৈ আহিল তাৰ। কি প্ৰগাম ! কি কৰিবলৈ ওলাইছ !

কিয় গম নেপাৱ ? তেলেংগানাক পৃথক ৰাজ্য দিলে। আমিবোৰ মৰি গৈছো নেকি ! জাতি বুলিবলৈ আমাৰ একো নাই নেকি !

এতিয়া কৰিবি কি ?

বড়োৱে পৃথক ৰাজ্য বিচাৰিছে। পৃথক কাৰ্বিভূমিৰ দাবী উঠিছে। আমিও বিচাৰিম আমাৰ ৰাজ্য। আমাকো স্বাধীন ৰাজ্য লাগে। আমাকো মাটি লাগে। আমিও প্ৰতিবাদ কৰিম। কঁপাই দিম চৰকাৰ-প্ৰশাসন। কৃষ্ণক ভতুৰা কুকুৰৰ দৰে এইখন চৰকাৰে গুলীয়াই মৰা কি তোৰ মনত নাই ? তাৰ মৃত্যুক সাৰ্থক কৰিব লাগিব আমি। তাৰ নামত উছৰ্গা কৰিম আমাৰ জাতীয় সংগ্ৰাম।

আমাৰ মাটি ভগাবৰ হ'ল- বৰদাই কৈছিল এইদৰে।

আমাকো স্বাধীন ৰাজ্য লাগে। পৃথক ভূমি লাগে।- একে সুৰতে যেন কৈ উঠিছে সংগঠনৰ সভাপতিয়ে।

বিচ্ছিন্নকামী চিন্তাই গ্ৰাস কৰিছে নেকি সমগ্ৰ পৃথিৱীক ! সমগ্ৰ মানৱ সমাজক ! সমগ্ৰ ব্ৰহ্মাণ্ডক ! মাটিবোৰ খণ্ডিত হোৱাৰ দৰে এদিন খণ্ড খণ্ড হৈ পৰিব নেকি পৃথিৱীও ! আৰু হয়তু ধুমকেতুৰ দৰে সুতীব্ৰ বেগেৰে অহা এক প্ৰচণ্ড

শক্তিৰ হেঁচাত সৰু সৰু ছিন্ন ভিন্ন টুকুৰা হৈ উফৰি পৰিব পৃথিৱী, ঠিক কেৰমৰ গুটিৰ দৰে!

যেতিয়া পৃথিৱীৰে অস্তিত্ব ক্ষণভংগুৰ, ক্ষণিকৰ জীৱনত মানুহবোৰ একোটা গোট হৈ থাকিব নোৱাৰে কিয় ?

যেতিয়া পৃথিৱীৰে অস্তিত্ব ক্ষণভংগুৰ, অস্তিত্বৰ বাবে মানুহৰ ইমান হাহাকাৰ কিয় ?

সকলোতে যেন ষ্ট্ৰাইকাৰৰ খুন্দাৰ দৰে কিহবাৰ অহৰহ হেঁচা। গোট বান্ধিলেই খুন্দিয়াব খোজে এই শক্তিয়ে। ওফৰাই তচনচ কৰিব খোজে সকলো। যেন সকলোতে এক কেৰমৰ খেলা। সি নাজানে কোনে নিয়ন্ত্ৰণ কৰিছে সেই খেলা। পক্ষ কোন-প্ৰতিপক্ষ কোন। কোনে নিয়ন্ত্ৰণ কৰিছে এই ষ্ট্ৰাইকাৰ। সি মাথো সাজিব খুজিছিল এখন বিৰাট ঘৰ, জাতিটোৰ ঘৰ। ঘৰ ভঙাৰ কথা সি কেতিয়াও ভবা নাছিল।

বৰদাই ঘৰ ভঙাৰ চেষ্টা কৰা বাবেই সি ওলাই আহিছিল ঘৰৰ পৰা। এতিয়া ইয়াতো আন এক ভাঙোনমুখী যুঁজৰ আখৰা। ভাঙোনমুখী শক্তিৰ বলয় এটা ছাঁৰ দৰে যেন বেগাই নামিছে তললৈ, ছাঁৰ আৱৰ্তই ছানিছে চৌপাশ।

এই আৱৰ্ত ভেদি সি এতিয়া যাব কেনি !

**যোগাযোগৰ ঠিকনা:**
জ্যেষ্ঠ সাংবাদিক, গল্পকাৰ
৯১০১৮৪৩১৬৫